আমাৰ অসম, ২ ফেব্ৰুৱাৰী/2002

02 FEB 2002

# মানাহ সংৰক্ষণৰ অৰ্থে সজাগতা সভা

02 FEB 2002

● নিৰঞ্জন বৰ্মন, 'আমাৰ অসম' অৰণ্যম সেৱা, মানাহ

আলপতে বাঁহবাৰীস্থ গ্ৰীণ মানাহৰ সৌজন্যত ভূএগ্ৰাপাৰা বন কাৰ্যালয় প্ৰাংগণত 'মানাহ ৰাষ্ট্ৰীয় উদ্যান' সংৰক্ষণাৰ্থে এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাখন সঞ্চালনা কৰে সমাজ সচেতক গাঁওবুঢ়া শশী মোহন চৌধুৰীয়ে। উদ্বোধনী ভাষণ ৰাখে গ্ৰীণ মানাহৰ প্ৰধান সচিব নিৰঞ্জন বৰ্মনে। অতিথি হিচাপে ভাষণ ৰাখে বাঁহবাৰীৰ বনাঞ্চলিক বিষয়া গংগাধৰ বসুমতাৰী, ভূএগ্ৰাপাৰা বনাঞ্চলিক বিষয়া কৰুণাকান্ত স্বৰ্গীয়াৰী আৰু শালবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কনক বৈশ্যই। গ্ৰীণ মানাহৰ তৰফৰ পৰা সংৰক্ষণ সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়ায় উপদেষ্টা চিকণ বসুমতাৰী আৰু সদস্য ক্ৰমে ফণীন্দ্ৰ বসুমতাৰী, কুমাৰ ব্ৰহ্ম আৰু ধনজিৎ দাসে। সভাখনত ভূএগ্ৰাপাৰা ৰেঞ্জৰ নিকটৱৰ্তী গাঁওসমূহৰ প্ৰায় ১০০জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি সাফল্যমণ্ডিত কৰে। সভাত ৰাইজে চৰকাৰ বা বিভাগীয় গাফিলতিৰ বাবে মানাহখন ধ্বংসৰ মুখলৈ যোৱা বুলি মুকলিকৈ ক্ষোভ প্ৰকাশ কৰে। বড়ো আন্দোলনৰ সময়ত ভূএগ্ৰাপাৰা বন কাৰ্যালয়টো দুষ্কৃতিকাৰীয়ে বিধ্বস্ত কৰাৰ পিছৰ পৰা বন বিভাগে কোনো প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰা নাই। এবছৰৰ পৰাহে পৰিত্যক্ত কাৰ্যালয়টোত ১০জনমান বনকৰ্মী থাকিবলৈ লৈছে। কাৰ্যালয়ৰ সম্মুখেৰে প্ৰতিদিনে গড়ে ৫০খন ঠেলাৰে প্ৰায় ২০০জন চোৰাং কাঠকতিয়াই কাঠৰ কুণ্ডা আনি থকাটো সৰ্বজনবিদিত কাম! ৰাইজে মত ব্যক্ত কৰে যে নিকটৱৰ্তী গাঁওসমূহৰ পৰা মানাহ সংৰক্ষণাৰ্থে ১০০ শতাংশ নিয়োগৰ ব্যৱস্থা কৰি অতি শীঘ্ৰে ভূএগ্ৰাপাৰা বনাঞ্চলিক কাৰ্যালয়টো কাৰ্যক্ষম কৰি প্ৰশাসনিক ব্যৱস্থা সুদৃঢ় কৰিব লাগে।

# ঐতিহাসিক শিৱসাগৰলৈ অহা পৰিভ্ৰমী পক্ষীৰ সংখ্যা হ্ৰাস পাইছে

● সব্যসাচী মহন্ত, 'আমাৰ অসম' অৰণ্যম সেৱা, শিৱসাগৰ

শীতকালৰ আগমনৰ লগে লগে অসমলৈ বিশেষকৈ ঐতিহাসিক শিৱসাগৰৰ জয়সাগৰ পুখুৰী আৰু শিৱসাগৰ বৰপুখুৰীলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অগণন পৰিভ্ৰমী পক্ষীৰ আগমন ঘটে। বিশেষকৈ ৰাছিয়াৰ ছাইবেৰিয়া আদি অঞ্চলৰ পৰা অহা বিভিন্ন প্ৰজাতিৰ ৰং-বিৰঙৰ পক্ষীৰ আগমনে এই কালছোৱাত জয়সাগৰপুখুৰী আৰু শিৱসাগৰ বৰপুখুৰীৰ মনোমোহা প্ৰাকৃতিক দৃশ্যৰাজি অধিক আকৰ্ষণীয় হৈ উঠে। উল্লেখ্য যে বছৰৰ অক্টোবৰ মাহৰ পৰা মাৰ্চ মাহৰ শেষলৈকে সাধাৰণতে এই পৰিভ্ৰমী পক্ষীসমূহে জয়সাগৰপুখুৰী আৰু শিৱসাগৰ বৰপুখুৰীলৈ আহে আৰু এই পৰিভ্ৰমী পক্ষীসমূহ নিৰীক্ষণ কৰিবলৈ তথা প্ৰাকৃতিক দৃশ্যৰ শোভা উপভোগ কৰিবলৈ দূৰ-দূৰণিৰ পৰ্যটকৰো শিৱসাগৰলৈ আগমন ঘটে। কিন্তু পৰিতাপৰ কথা যে বিগত কেইবছৰমানৰ পৰা শিৱসাগৰলৈ এনে ধৰণৰ পৰিভ্ৰমী পক্ষীৰ আগমন ক্ৰমে হ্ৰাস পাই আহিছে। এই বছৰো শেহতীয়াভাৱে কিছু পৰিভ্ৰমী বিদেশী পক্ষীৰ আগমন ঘটিছে যদিও ইয়াৰ সংখ্যা আশানুৰূপ নহয়। প্ৰাপ্ত তথ্য মতে, একাংশ দায়িত্বজ্ঞানহীন লোকে পৰিভ্ৰমী পক্ষী চোৰাংকৈ হত্যা কৰা বাবেই এনেধৰণৰ পৰিভ্ৰমী বিদেশী পক্ষীৰ সংখ্যা অভাৱনীয়ভাৱে হ্ৰাস পাইছে। উল্লেখযোগ্য যে এই পৰিভ্ৰমী পক্ষীসমূহ দিনৰ ভাগত জয়সাগৰ পুখুৰী, শিৱসাগৰ বৰপুখুৰীৰ উপৰি বিভিন্ন জলাশয়, বিলসমূহত চৰি থাকে যদিও নিশা এই পক্ষীসমূহে দাঁতি-কাষৰীয়া বহল পথাৰতহে জিৰণি লয়। নিশাৰ ভাগত পথাৰত জিৰণি লোৱা অৱস্থাতেই একাংশ ব্যক্তিয়ে এই পৰিভ্ৰমী পক্ষীসমূহ হত্যা কৰি আহিছে। যাৰ ফলত আতংকিত হৈ বছৰে বছৰে ক্ৰমান্বয়ে শিৱসাগৰলৈ এই পৰিভ্ৰমী বিদেশী পক্ষীৰ আগমন আশতীতভাৱে হ্ৰাস পাইছে।

২ ফেব্ৰুৱাৰী/২০০২